**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-05-2024
**Time :** 1800 Hrs

***Assamese Morning Bulletin***

::::::::::::::::::::::::::::::::::::::

দেশৰ ৭ খন ৰাজ্যৰ এটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৫৮টা সংসদীয় সমষ্টিত কাইলৈ হ'বলগীয়া লোকসভা নিৰ্বাচনৰ ষষ্ঠ পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তোলা হৈছে। এই পৰ্যায়ত কাইলৈ পুৱা ৭ বজাৰ পৰা সন্ধিয়া ৬ বজালৈ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। সমষ্টিসমূহৰ ভিতৰত বিহাৰৰ ৮টা, হাৰিয়ানাৰ ১০ টা, জম্মু-কাশ্মীৰৰ এটা, ঝাৰখণ্ডৰ ৪টা, দিল্লীৰ ৭টা, ওড়িশাৰ ছটা, উত্তৰ প্ৰদেশৰ ১৪টা আৰু পশ্চিমবংগৰ ৮টা সমষ্টি আছে। এই সমষ্টি কেইটাৰ বাবে মুঠ ৮৮৯গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

০০০০০০০

মটক ৰজা স্বৰ্গদেউ সৰ্বানন্দ সিংহৰ আজি ২২২ সংখ্যক তিৰোভাৱ তিথি উপলক্ষে ৰাজ্যবাসীয়ে তেওঁক শ্ৰদ্ধাৰে সুঁৱৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এটা বাৰ্তাত অসম মাতৃৰ সু-সন্তান অদম্য সাহস, কৰ্তব্যনিষ্ঠা আৰু বীৰত্বৰ প্ৰতীক মটক ৰজাগৰাকীৰ কৰ্মস্পৃহা আৰু দূৰদৰ্শী নেতৃত্ব তথা চিন্তাধাৰাৰে জাতীয় জীৱনৰ কল্যাণ আৰু উন্নয়নৰ হকে কাম কৰি যাবলৈ ৰাজ্যৰ জনসাধাৰণক অনুপ্ৰাণিত কৰি আহিছে বুলি প্ৰকাশ কৰে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি তিনিচুকীয়াত আয়োজিত এটা কাৰ্যসূচীত উপস্থিত থাকি মহান ৰজাগৰাকীৰ আদৰ্শৰে উদ্বুদ্ধ হৈ বৰ্তমান সময়ত সকলোৰে আগবাঢ়ি যাব লাগিব বলি মন্তব্য কৰে। তিনিচুকীয়া নগৰৰ তিনিকোণীয়াত মটক ৰাজবংশ উন্নয়ন সমিতি আৰু সদৌ অসম মটক সন্মিলনৰ উদ্যোগত আৰু মটক জনগোষ্ঠীয় সংগঠনসমূহৰ সহোগত আযোজন কৰা কাৰ্যসূচীত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে ৰাজ্যৰ প্ৰসিদ্ধ ৰজা মহাৰজা তথা বীৰ বীৰাংগনাৰ গুণানুকীৰ্তন কৰিলে নৱ প্ৰজন্ম উদ্বুদ্ধ হ'ব বুলি আশা প্ৰকাশ কৰে। তেওঁ ৰাজ্যখনৰ জনগোষ্ঠীসমূহৰ উন্নয়নৰ দ্বাৰাহে অসমৰ সৰ্বাংগীন উন্নয়ন সম্ভৱ বুলি প্ৰকাশ কৰি এই ক্ষেত্ৰত জনগোষ্ঠীসমূহে বিজ্ঞানসন্মত দৃষ্টিভংগীৰে আগবাঢ়ি যাব লাগিব বুলি অৱগত কৰে। আজিৰ কাৰ্যসূচীৰ লগত সংগতি ৰাখি স্বৰ্গদেউগৰাকীৰ ২২ ফুট দৈৰ্ঘ্যৰ এটা প্ৰতিমূৰ্তি উন্মোচন কৰা হয়। আজিৰ অনুষ্ঠানত মটক ৰাজবংশ উন্নয়ন সমিতিৰ সভাপতি হেমন্ত গোঁহাইকে ধৰি ভালেমান বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০০

চৰাইদেউ জিলাৰ মথুৰাপুৰ ৰাঙলীচুক তিনিআলিত আজি থলুৱাভাৱে উৎপাদিত সামগ্ৰীৰ এখন গ্ৰাম্য সাপ্তাহিক বজাৰ মুকলি কৰা হয়। সোণাৰীৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে এই বজাৰখন আনুষ্ঠানিকভাৱে মুকলি কৰি এনে ধৰণৰ বজাৰে গ্ৰাম্য অৰ্থনীতি আৰু কৰ্মসংস্কৃতিৰ ক্ষেত্ৰত বিশেষ অৰিহণা গ্ৰহণ কৰিব বুলি মন্তব্য কৰে। ইয়াৰ উপৰি স্থানীয় খেতিয়কসকলে নিজৰ উৎপাদিত কৃষিজাত সামগ্ৰী বজাৰত বিক্ৰী কৰি স্বাৱলম্বী হোৱাৰ লগতে এই ক্ষেত্ৰত নতুন প্ৰজন্মক উদ্বুদ্ধ কৰিব বুলি আশা প্ৰকাশ কৰে।

০০০০০০০

ৰাজ্যৰ বিভিন্ন সত্ৰ-নামঘৰত আজি মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ ৫৩৫ সংখ্যক আৱিৰ্ভাৱ তিথি উপলক্ষে বিভিন্ন কাৰ্যসূচী পালন কৰা হয়। মাধৱদেৱৰ আৱিৰ্ভাৱ তিথিৰ সৈতে সংগতি ৰাখি অসম একশৰণ ভাগৱতী সমাজে আজিৰেপৰা মৰিগাঁৱৰ বৰদল পালনাম থানত বিভিন্ন কাৰ্যসূচী আয়োজিত কৰিছে। ঐতিহ্যমণ্ডিত

থানখনত আজি পুৰা মাংগলিক পৰম্পৰাৰে গুৰু আসন প্ৰতিষ্ঠা কৰা হয়। একশৰণ ভাগৱতী সমাজৰ আচাৰ্য দেহেশ্বৰ বৰাই নৱনিৰ্মিত মণিকূটত আনুষ্ঠানিকভাৱে সিংহাসন প্ৰতিষ্ঠা কৰাৰ পাছত বৰদল গাঁৱৰ গায়ন-বায়নৰ খোল প্ৰসংগ অনুষ্ঠিত হয়। কাইলৈ গুণমালা, ধৰ্মালোচনী সভাৰ লগতে ২০০ গৰাকী যুৱক-যুৱতীক শৰণ-ভজনৰ দিহা কৰা হৈছে।

ইফালে, মহাপুৰুষ মাধৱদেৱ স্থাপিত বৰপেটাৰ সুন্দৰীদিয়া সত্ৰত কালিৰেপৰা তিনিদিনীয়া কাৰ্যসূচীৰে মহাপুৰুষজনাৰ আৱিৰ্ভাৱ মহোৎসৱ পালন কৰা হৈছে। বাৰাদি সত্ৰতো বিস্তৃত কাৰ্যসূচীৰে মাধৱদেৱৰ আবিৰ্ভাৱ মহোৎসৱ পালন কৰা হয়।

মহাপুৰুষজনাৰ দ্বাৰা স্থাপিত বৰপেটা সত্ৰতো আজি মহাপুৰুষজনাৰ আৱিৰ্ভাৱ মহোৎসৱ পালন কৰা হয়। এই উপলক্ষে ভকত, আই-মাতৃয়ে পুৱাৰ নিত্য প্ৰসংগৰ লগতে অতিৰিক্ত প্ৰসংগত অংশগ্ৰহণ কৰে। যোৰহাট জিলাৰ ঢেকীয়াখোৱা বৰনামঘৰত দিনজোৰা কাৰ্যসূচীৰে মাধৱদেৱৰ আবিৰ্ভাৱ তিথি পালন কৰা হয়। নগাঁৱৰ বটদ্ৰৱা থানৰ লগতে গোলাঘাট জিলাৰ আঠখেলীয়া নামঘৰতো মাধৱদেৱৰ আবিৰ্ভাৱ তিথি উপলক্ষে বৈষ্ণৱ ভকতে নাম-কীৰ্ত্তনেৰে গুৰুবন্দনা কৰে। গোৱালপাৰা জিলাৰ বিভিন্ন প্ৰান্ততো মাধৱদেৱৰ আবিৰ্ভাৱ তিথি উলহ-মালহেৰে পালন কৰা হয়। এই উপলক্ষে গোৱালপাৰা নগৰৰ বামুণপাৰাত থকা নয়াবন্তি সত্ৰত তিনিদিনীয়াকৈ বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হয়। কালি নগৰ পৰিভ্ৰমণৰ জৰিয়তে কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। আজি অখণ্ড পালনাম অনুষ্ঠিত হোৱাৰ লগতে কাইলৈ সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হ'ব।

০০০০০০০০০

গোলাঘাট জিলাৰ আৰক্ষী নিবাসৰ খেলপথাৰত আজি প্ৰায় ১ কোটি ৩৩ হাজাৰ টকা মূল্যৰ মাদক দ্ৰব্য তথা নিচাযুক্ত সামগ্ৰী দহন কৰা হয়। এই কাৰ্যসূচীত উপস্থিত থাকি গোলাঘাট জিলাৰ আৰক্ষী অধীক্ষক ৰাজেন সিঙে কয় যে, চলিত বৰ্ষৰ ১ জানুৱাৰীৰ পৰা এই পৰ্যন্ত জিলাখনত ১৪টা মাদক দ্ৰব্য সম্পৰ্কীয় গোচৰ ৰুজু হোৱাৰ লগতে ২৮ জন মাদক দ্ৰব্য ব্যৱসায়ীৰ পৰা ২৫ কোটি টকাৰ নিচাযুক্ত সামগ্ৰী আৰু ৩০ খন বাহন জব্দ কৰা হৈছে।

০০০০০০০০০

**সমাপ্ত**